



Fig. 3.A& B

1. **ফিচাৰৰ পৰিমাণ তত্ত্বৰ অভিধাৰণা সমূহ** (Assumptions of Fisher's Quantity theory) ঃ
ফিচাৰৰ মুদ্ৰা পৰিমাণ তত্ত্ব মূলত তলত উল্লেখ কৰা অভিধাৰণা সমূহৰ ওপৰত প্ৰতিষ্ঠিত।

(i) **মুদ্ৰাৰ গতিবেগ স্থিৰে থাকে** (Constant velocity of money) ঃ ফিচাৰৰ মতে, মুদ্ৰাৰ গতিবেগ (v স্থিৰে থাকে আৰু ইয়াৰ ওপৰত মুদ্ৰাৰ পৰিমাণ পৰিবৰ্তনে কোনো প্ৰভাৱ নেপেলায়। মুদ্ৰাৰ গতিবেগ নিৰ্ভ কৰে জনসংখ্যা, ব্যৱসায়িক কাম-কাজ, মানুহৰ ৰুচি অভ্যাস, সুদৰ হাৰ আদিৰ দৰে বাহ্যিক (exog-enous) উপাদান সমূহৰ ওপৰত। এই উপাদান সমূহ তুলনামূলক ভাৱে স্থিৰে থাকে আৰু সময়ৰ লগে লগে ধীৰ গতিত পৰিবৰ্তন হয়। গতিকে, V স্থিৰে থকা কাৰণে, মুদ্ৰাৰ যোগান পৰিবৰ্তনে গতিবেগৰ ওপৰত প্ৰভাৱ নেপেলায়।

(ii) **ব্যৱসায়িক আকাৰ বা লেনদেন স্থিৰে থাকে** (Constant Volume of Trade or transaction) ঃ সৰ্ব্বমুঠ ব্যৱসায়িক আকাৰ বা লেনদেন (T) স্থিৰে থাকে আৰু মুদ্ৰা যোগানৰ পৰিবৰ্তনে ইয়াৰ ওপৰত প্ৰভাৱ নেপেলায়। T ক এক স্বতন্ত্ৰ নিৰ্দ্ধাৰিক হিচাপে ধৰা হয় আৰু ই নিৰ্ভৰ কৰে প্ৰাকৃতিক সম্পদ, কাৰিকৰী উন্নয়ণ, জনসংখ্যা আদিৰ দৰে সূচক সমূহৰ ওপৰত। এই সূচক সমূহ ফিচাৰ সমীকৰণৰ বাহিৰত আৰু সময়ৰ লগে লগে ধীৰ গতিত পৰিবৰ্তন হয়। গতিকে মুদ্ৰাৰ যোগান পৰিৱৰ্তনে T ৰ ওপৰত কোনো প্ৰভাৱ নেপেলায়। T ৰ স্থিতিশীলতাই অৰ্থনীতিত সম্পদৰ পূৰ্ণ নিয়োগ বুজায়।

(iii) **দৰস্তৰ এক নিষ্ক্ৰীয় উপাদান** (Price level is a passive factor) ঃ ফিচাৰৰ মতে দৰস্তৰ (P)এক নিস্ক্ৰীয় উপাদান। কাৰণ দৰস্তৰ, সমীকৰণত উল্লেখিত অন্যান্য উপাদান সমূহৰ দ্বাৰা প্ৰভাম্বিত হয়; কিন্তু দৰস্তৰে সেই উপাদান সমূহৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰে। ফিচাৰৰ সমীকৰণত দৰস্তৰ এক কাৰ্য্য, ই কাৰণ নহয়। M আৰু V ৰ বৃদ্ধিয়ে দৰস্তৰ বৃদ্ধি কৰে। একদৰে T ৰ পৰিমাণ বৃদ্ধিয়ে দৰস্তৰ হ্ৰাস কৰে।

(iv) **মুদ্ৰা এক বিনিময়ৰ মাধ্যম** (Money is a medium of exchange) ঃ মুদ্ৰাৰ পৰিমাণ তত্বই মুদ্ৰাক বিনিময়ৰ এক মাধ্যম হিচাপে গণ্য কৰে। মুদ্ৰাই লেনদেন কাৰ্য্য সুচাৰুৰূপে সমাধা কৰে। ইয়াক গুপুত মজুতকৰণ (hoarding) বা ফট্‌কা ব্যৱসায় (speculative) ৰ উদ্দেশ্যে ব্যৱহাৰ কৰা নহয়।

(v) **M আৰু M′ ৰ মাজত স্থিৰ সম্পৰ্ক** (Constant relation between M and M') ঃ ফিচাৰে প্ৰচলিত মুদ্ৰা (M) আৰু বেংক মুদ্ৰা (M′)ৰ মাজত এক আনুপাতিক সম্পৰ্ক ধৰি লৈছে। বেংক মুদ্ৰাৰ পৰিমাণ নিৰ্ভৰ কৰে বাণিজ্যিক (commercial) বেংক সমূহৰ ঋণ সৃষ্টি ক্ষমতাৰ ওপৰত আৰু এই ঋণ সৃষ্টি নিৰ্ভৰ কৰে প্ৰচলিত মুদ্ৰাৰ পৰিমাণৰ ওপৰত। গতিকে M′ ৰ অনুপাত M ৰ সৈতে স্থিৰে থাকে আৰু M′ ক বিনিময় সমীকৰণত অৰ্ন্তভূক্তিয়ে মুদ্ৰা আৰু দৰস্তৰৰ সাংখ্যিক পৰিমাণক অস্থিৰ নকৰে।

(vi) **দীৰ্ঘকালীন বিশ্লেষণ** (Long peiod analysis) ঃ মুদ্ৰাৰ পৰিমাণ তত্ব এক দীৰ্ঘকালীন বিশ্লেষণ। দীৰ্ঘকালত মুদ্ৰাৰ গতিবেগ (V) আৰু দ্ৰব্য-সামগ্ৰীৰ লেনদেন (T) স্থিৰে থাকে বুলি ধৰা হয়। গতিকে দেখা যায় যে, বিনিময় সমীকৰণ, $MV + M'V' = PT$ ত দীৰ্ঘকালীন সময়ত M′V, V′ আৰু T স্থিৰে থাকে আৰু P ইয়াত এক নিস্ক্ৰীয় উপাদান। ইয়াৰ পৰা এইটো স্পষ্ট হয় যে, মুদ্ৰাৰ যোগানৰ পৰিবৰ্তনে প্ৰত্যক্ষ আৰু আনুপাতিক হাৰত দৰস্তৰৰ পৰিবৰ্তন ঘটায়।

2. **নগদ লেনদেন তত্বৰ সমালোচনা** (Criticism of Cash transaction approach) ঃ

(i) প্ৰথমতে, ফিচাৰে নগদ লেনদেন তত্বত উল্লেখ কৰা মতামত শুদ্ধ নহয়। যদিও লেনদেন তত্বত তিনিটা উপাদান স্থিৰে থাকে বুলি ধৰা হৈছে তথাপি অন্যান্য বহুতো উপাদান আছে যিবোৰে দৰস্তৰৰ ওপৰত প্ৰভাৱ পেলায়। উদাহৰণ স্বৰূপে মুঠ আয়ৰ পৰিবৰ্তনৰ কথা উল্লেখ কৰিব পাৰি। দৰস্তৰ পৰিবৰ্তনৰ মূল কাৰণ হ'ল ব্যক্তিৰ মুঠ আয়ৰ পৰিবৰ্তন অৰ্থনৈতিক মন্দাৱস্থা (depression)ৰ সময়ত মুদ্ৰাৰ পৰিমাণ পৰ্যাপ্ত, কিন্তু আয়ৰ পৰিমান নিম্ন হোৱাৰ কাৰণে দৰস্তৰো নিম্ন হয়।

(ii) দ্বিতীয়তে, এই তত্ব এক দীৰ্ঘকালীন বিশ্লেষণ। য'ত আন বিভিন্ন উপাদানে ভাৰসাম্য (equilibrium) লাভৰ প্ৰৱণতাক অস্থিৰ কৰে। ইয়াক এক সঞ্চৰণ (transition) সময় বোলে আৰু সঞ্চৰণ একাদিক্ৰমে চলি

থাকিলে ভাৰসামতাত উপানীত হ'ব নোৱাৰি।

(iii) তৃতীয়তে, এই তত্বত "অন্যান্য অৱস্থাবিলাক একে থাকিলে" ব্যাকাংশ ব্যৱহাৰ কৰা হৈছে। কিন্তু অন্যান্য অৱস্থাবিলাক কেতিয়াও একে নাথাকে। সকলো অৱস্থাৰ এক নিৰবিচ্ছিন্ন পৰিবৰ্তন ঘটে। জনসংখ্যা, জনমুখি জনসংখ্যাৰ আৰ্থিক লেনদেন, লেনদেনৰ গতিবেগ ইত্যাদিৰ পৰিবৰ্তন ঘটে।

(iv) চতুৰ্থতে, ফিচাৰৰ মতে, M, V আৰু T স্বতন্ত্ৰ সূচক (variables) কিন্তু, প্ৰকৃততে এই সূচক সমূহ পৰস্পৰ নিৰ্ভৰশীল। উদাহৰণ স্বৰূপে, M ৰ পৰিবৰ্তন নিজে এক V পৰিবৰ্তনৰ কাৰক আৰু M ৰ পৰিবৰ্তনে আনুপাতিক হাৰত P ৰ পৰিবৰ্তন ঘটায়। যেতিয়া প্ৰচলিত মুদ্ৰাৰ অৱমূল্যায়ণ (depreciation) ঘটে, তেতিয়া ব্যক্তিয়ে নিজৰ হাতত মুদ্ৰা ৰাখিব নিবিচাৰে। গতিকে এনে অৱস্থাত মুদ্ৰাৰ গতিবেগৰ তীব্ৰতা বাঢ়ে আৰু দৰস্তৰ বৃদ্ধি পায়। একেদৰে দৰস্তৰ পৰিবৰ্তনেও মুদ্ৰাৰ পৰিমাণ পৰিবৰ্তনত প্ৰভাৱ পেলায়। অত্যধিক দাম বৃদ্ধিয়ে ব্যক্তিক দ্ৰব্য সামগী ক্ৰয়ৰ বাবে অধিক মুদ্ৰা যোগানৰ প্ৰয়োজনীয়তা সৃষ্টি কৰে।

(v) পঞ্চমতে, মুদ্ৰাই এক নিৰ্দিষ্ট সময়ত ইয়াৰ পৰিমাণ আৰু গতিবেগৰ সময় পৰিধি বুজায়। গতিকে M ৰ লগত V আৰু M'ৰ লগত V' ক পূৰণ কৰাটো সমীচিন নহয়।

(vi) ষষ্ঠতে, পূৰ্ণ নিয়োগ অভিধাৰণাৰ ওপৰত ভিত্তি কৰি দৰ আৰু মুঠ খৰচ সমানুপাতিক হাৰত পৰিবৰ্তন হোৱা ধাৰণাটো অশুদ্ধ। কিন্তু, যদি উৎপাদনৰ উপাদান সমূহ অব্যৱহৃত অৱস্থাত থাকে, তেনেহ'লে মুঠ খৰচ বৃদ্ধিয়ে উৎপাদন বৃদ্ধি কৰিব। এনে অৱস্থাত দৰস্তৰ সমানুপাতিক হাৰত বৃদ্ধি নহয়।

(vii) সপ্তমতে, মুদ্ৰা পৰিমাণৰ সৈতে দৰস্তৰ সমানুপাতিক হাৰত পৰিবৰ্তন হোৱা অভিধাৰণাটো শুদ্ধ নহয়। মুঠ মুদ্ৰাৰ পৰিমাণ বৃদ্ধিয়ে সঞ্চয়ৰ পৰিমাণো বৃদ্ধি কৰিব পাৰে বা মুদ্ৰাৰ পৰিমাণ হ্ৰাসে সঞ্চয় হ্ৰাস কৰিব পাৰে।

(viii) অষ্টমতে, সমীকৰণটোত P আৰু T ৰ কোনো নিৰ্দিষ্ট অৰ্থ নাই। এইটো অনুমাণ হয় যে, ফিচাৰে এই ধাৰণাটো কেৱল দুটা ব্যৱসায়িক বস্তুগত পৰিমাণৰ সৈতে সম্পৰ্ক স্থাপনৰ কাৰণেহে ব্যৱহাৰ কৰিছে। মুদ্ৰাৰ জৰিয়তে যে সেৱা ক্ৰয় কৰিব পাৰি এইটো তেওঁ নুই কৰিছে। মুদ্ৰাৰ জৰিয়তে মজুৰি, দৰমহা, সুদ, খাজনা আৰু লাভ পৰিশোধ কৰা হয়।

(ix) শেষত, কিছু সংখ্যকে মতামত দিয়ে যে, ফিচাৰৰ সমীকৰণ এক মূল্যহীন স্বতঃসিদ্ধ গাণিতিক বিষয়। চাহিদা আৰু যোগান সদায়েই সমান। গতিকে MV =PT সমীকৰণত কোনো নতুনত্ব নাই।

সামৰণিত ক'ব পাৰি যে, যদিও ফিচাৰৰ নগদ লেনদেন তত্বত বহুতো গুৰুত্বপূৰ্ণ দিশৰ অভাৱ তথাপি ই অপ্ৰয়োজনীয় নহয়। অৰ্থনৈতিক তত্ব হিচাপে ই এক গুৰুত্বপূৰ্ণ বিষয়ৰ সমাধান দিয়ে। ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে উল্লেখ কৰিব পাৰি যে, যদি মুদ্ৰাৰ যোগান হ্ৰাস বৃদ্ধি হয় বা বেংকে ঋণৰ পৰিমাণ হ্ৰাস বৃদ্ধি কৰে বা ব্যৱসায়িক লেনদেন হ্ৰাস বৃদ্ধি হয়, তেতিয়া ইয়ৰ প্ৰভাৱ সৰ্বত্ৰ পৰে। যেতিয়া এখন দেশৰ দৰস্তৰ হ্ৰাস বা বৃদ্ধি হয়, তেতিয়া মুদ্ৰা কৰ্তৃপক্ষই স্বতঃস্ফূৰ্তভাৱে মুদ্ৰাৰ পৰিমাণ হ্ৰাস বৃদ্ধিৰ জৰিয়তে স্বাভাৱিক অৱস্থা আনিবলৈ যত্নপৰ হয়।

## 3.6 নগদ ৰাহি বা ক্ৰেম্বিজ তত্ব (The Cash Balance or Cambridge appoach) ঃ

ফিচাৰৰ মুদ্ৰা পৰিমাণ তত্বৰ এক সংশোধিত ৰূপ হিচাপে 1920 দশকত ক্ৰেম্বিজ অৰ্থনীতিবিদ আলফ্ৰেদ মাৰ্শ্বাল (Alfred Marshall), এ. চি, পিগু (A.C. Pigou), ডি, এইচ, ৰবাৰ্টচন (D.H. R...